# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-July-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। নিচাযুক্ত দ্ৰব্য নিৰ্মূলৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৰাজ্যজুৰি ব্যাপক মাদক দ্ৰব্য বিনষ্টকৰণ অভিযান।

২। ড্ৰাগছমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ শূন্য সহনশীল নীতি অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৩। কেৱল মিচিং ভাষাৰ শিক্ষক নিযুক্তিৰ বাবে পৃথক টেট অনুষ্ঠিত কৰা নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

*আৰু*

৪। শিল্পী জুবিন গাৰ্গলৈ অসম সাহিত্য সভাৰ মৰণোত্তৰভাৱে **সংগীত সুধাকৰ** সন্মান।

ooooo

নিচাযুক্ত দ্ৰব্য নিৰ্মূলৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৰাজ্যজুৰি মাদক দ্ৰব্য বিনষ্টকৰণ অভিযান চলোৱা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আজি নলবাৰী দৌলাশালৰ চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ত আয়োজিত কাৰ্যসূচীত ৪৭২ দশমিক ৫-১ কোটি টকা মূল্যৰ মাদক দ্ৰব্য ধ্বংস কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰোড ৰ'লাৰ চলাই বিপুল পৰিমাণৰ ড্ৰাগছ ধ্বংস কৰাৰ লগতে ৰাজ্যৰ ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে।

*বাইট (চি এম)*

আজি ধ্বংস কৰা ড্ৰাগছৰ ভিতৰত আছিল বুজন পৰিমাণৰ হেৰ'ইন, ভাং, কফ ছিৰাপ, য়াবা টেবলেট, আফিং, অপিয়াম আদি।

এই অভিযানৰ অংশ হিচাপে ধেমাজি আৰক্ষীয়ে আজি তুলসীবাৰীস্থিত আৰক্ষী ছাউনীত প্ৰায় ২ কোটি ৪০ লাখ টকা মূল্যৰ মাদক দ্ৰব্য ধ্বংস কৰে। ধেমাজি আৰু জোনাই থানাৰ আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই জব্দ কৰা ভাং আৰু হেৰ'ইনসমূহ আজি জ্বলাই নষ্ট কৰা হয়। এই কাৰ্যসূচীত ২২ নম্বৰ অসম বেটেলিয়নৰ কামাণ্ডেণ্ট তথা ভাৰপ্ৰাপ্ত জিলা আৰক্ষী অধীক্ষক বুধিন্দ্ৰ নাথ মৰাং, অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰাৰ লগতে আৰক্ষীৰ ভালেমান বিষয়া উপস্থিত থাকে।

মাজুলী জিলাতো কমলাবাৰী অঞ্চলৰ এটা ইটাভাটাত প্ৰায় ৫৫ লাখ টকা মূল্যৰ মাদক দ্ৰব্য জ্বলাই দিয়া হয়। বিগত সময়ত জিলাখনত মাদক দ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানত আৰক্ষীয়ে নগদ ৪ লাখ টকা, দুখন বিলাসী বাহনৰ লগতে ৬ জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছিল।

ড্ৰাগছমুক্ত অসম গঢ়া অভিযানৰ অংশ হিচাপে বৰপেটা জিলা আৰক্ষীৰ উদ্যোগত আজি ৫ কোটি ১৬ লাখ ৩১ হাজাৰ ৮১০ টকা মূল্যৰ নিষিদ্ধ ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী নষ্ট কৰা হয়। বৰপেটা জিলা আৰক্ষী নিৰেশৰ পাছফালৰ পথাৰত দাহ কৰা সামগ্ৰীসমূহৰ ভিতৰত আছিল ব্ৰাউন ছুগাৰ, ভাং, কফ ছিৰাপ, নিচাযুক্ত টেবলেট আৰু কেপচুল। বৰপেটাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই ড্ৰাগছমুক্ত অসম গঢ়াত বৰপেটাবাসীৰো সহায়-সহযোগিতা কামনা কৰে।

তামুলপুৰ জিলা আৰক্ষীৰ উদ্যোগত আজি বৰখাত শ্মশানত বুজন পৰিমাণৰ মাদ্ৰক দ্ৰব্য বিনষ্ট কৰা হ্য়। জিলা আৰক্ষীয়ে বিগত সময়ত অভিযান চলাই ৭১ লাখৰো অধিক টকা মূল্যৰ বিভিন্ন নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হয়। জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তী, সহকাৰী আয়ুক্ত অনুপম ডেকা, তামুলপুৰ মহকুমা অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ ভানু কছাৰীকে ধৰি বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়া এই দাহ কাৰ্যসূচীত উপস্থিত থাকে।

বজালী জিলাৰ বাঘমাৰাত আৰক্ষী আৰু জিলা প্ৰশাসনৰ উদ্যোগত আজি বুজন পৰিমাণৰ নিচাজাতীয় সামগ্ৰী ধ্বংস কৰা হয়। এই কাৰ্যসূচীত জিলাৰ জ্যেষ্ঠ আৰক্ষীক অধীক্ষক শান্তনু কুমাৰ দত্তৰ লগতে ভালেমান জ্যেষ্ঠ আৰক্ষী বিষয়া উপস্থিত থাকে। জিলাখনত বিভিন্ন সময়ত অভিযান চলাই আৰক্ষীয়ে ১৩ লাখ টকাৰো অধিক মূল্যৰ মাদক দ্ৰব্য জব্দ কৰে। জিলা আৰক্ষীয়ে নিচামুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত জনসাধাৰণৰ সক্ৰিয় সহযোগিতা কামনা কৰিছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ মানকাচৰৰ চোমৰাশালী কোদালদোৱা অঞ্চলত প্ৰায় ৬ কোটি টকা মূল্যৰ বিভিন্ন নিচাজাতীয় সামগ্ৰী আৰক্ষীয়ে নষ্ট কৰে। এই কাৰ্যসূচীত জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ শীতল কুমাৰ, জিলাৰ অতিৰিক্ত আয়ুক্ত কুমাৰ গৌৰৱ দাসৰ লগতে বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

ooooo

টাকাম মিচিং পৰিণ কেবাং চমুকৈ টি এম পি কেই শিক্ষাৰ প্ৰসাৰ, স্বকীয় ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু ন্যায়সংগত অধিকাৰৰ হকে সদায়ে সক্ৰিয় ভূমিকা পালন কৰি যাব বুলি শিক্ষামন্ত্ৰী মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আশা প্ৰকাশ কৰিছে। আজি জোনাইৰ মিচিং কৃষ্টি ভৱনত অনুষ্ঠিত ছাত্ৰ সংগঠনটোৰ ১৭ সংখ্যক সাধাৰণ অধিৱেশনত ভাগ লৈ মন্ত্ৰী ডাঃ পেগুৱে এই কথা উল্লেখ কৰে। মিচিং ছাত্ৰ সংগঠনটোৱে সুদীৰ্ঘ পাঁচটা দশক ধৰি মিচিং সমাজৰ সৰ্বাংগীণ উন্নয়ন, যুৱ প্ৰজন্মৰ সবলীকৰণ আৰু সুস্থ সামাজিক চেতনাৰ বিকাশৰ ক্ষেত্ৰত পালন কৰি অহা অগ্ৰণী ভূমিকাৰো তেওঁ শলাগ লয়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ডাঃ পেগুৱে মিচিং ভাষাৰ শিক্ষক নিযুক্তি আৰু পাৰস্পৰিক বদলি সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়।

***বাইট (ডাঃ পেগু)***

আজিৰ অনুষ্ঠানত জোনাইৰ বিধায়ক ভূৱন পেগু, ঢকুৱাখনাৰ বিধায়ক নৱকুমাৰ দলে, মাজুলীৰ বিধায়ক ভূৱন গামৰ লগতে টি এম পি কেৰ বিষয়ববীয়া উপস্থিত থাকে।

○○○○○

অসম সাহিত্য সভাই জুবিন গাৰ্গক মৰণোত্তৰভাৱে **সংগীতসুধাকৰ** সন্মান প্ৰদান কৰিব। আজি গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন সংবাদমেলত সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এই কথা জানিবলৈ দিয়ে। এই সন্দৰ্ভত অসম সাহিত্য সভাৰ পঞ্চৰত্ন গুৱাহাটী অধিৱেশনৰ প্ৰতিনিধি সভাই গ্ৰহণ কৰা সিদ্ধান্তক সভাৰ কৰ্ণধাৰ সমিতিয়ে অনুমোদন জনায়। গুৱাহাটীৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অহা ৩০ জুলাইত আয়োজন কৰা এটা অনুষ্ঠানত শিল্পীগৰাকীক মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হ'ব। সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আনুষ্ঠানিকভাৱে জুবিন গাৰ্গক এই সন্মান প্ৰদান কৰিব। জনতাৰ শিল্পী জুবিন গাৰ্গৰ জীৱন পৰিক্ৰমা, সৃষ্টিশীলতা আৰু মানৱীয় অনুভূতিক লৈ সাহিত্য সভাই এখন ৰাষ্ট্ৰীয় আলোচনা সত্ৰ আয়োজন কৰিব বুলি প্ৰধান সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে। এই সত্ৰত উত্তৰ-পূব ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ নিৰ্বাচিত গৱেষকসকলে পাঠ কৰা গৱেষণা পত্ৰসমূহ পৰৱৰ্তী সময়ত গ্ৰন্থ আকাৰে প্ৰকাশ কৰা হ'ব। ইয়াৰ উপৰি সভাই জুবিন গাৰ্গৰ গীতসমূহ ইংৰাজী, হিন্দী, বাংলা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব।

○○○○○

শিক্ষা, তথ্য প্ৰযুক্তি আৰু ভৈয়াম জনজাতি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। মন্ত্ৰীগৰাকীয়ে অহা বছৰ মাৰ্চ মাহৰ ভিতৰত চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে বুলি উল্লেখ কৰে। অহা শৈক্ষিক বৰ্ষৰ পৰাই চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে যদিও ভিতৰ ভাগৰ কাম-কাজ প্ৰায় ৬০ শতাংশ সম্পূৰ্ণ হৈছে। তেওঁ গুণগত মান বৰ্তাই ৰাখি ক্ষিপ্ৰতাৰে নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট সকলো পক্ষকে নিৰ্দেশ দিয়ে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে ধেমাজি চিকিৎসা মহাবিদ্যালয়ৰ নৱনিযুক্ত অধ্যক্ষ ডাঃ শ্যামন্ত বৰুৱা, চিকিৎসা শিক্ষাৰ অতিৰিক্ত সঞ্চালক ডাঃ প্ৰাণপ্ৰতীম শইকীয়াৰ লগতে লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

○○○○○

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈৰ পৰা ধাৰাবাহিকভাৱে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত পুনৰ আৰম্ভ হ'ব। কাইলৈ জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰ আৰু জুবিন গাৰ্গৰ বন্ধু জয়ন্ত কাকতিয়ে আদালতত সাক্ষ্য দান কৰিব। ইফালে এই গোচৰৰ অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰো কাইলৈ ন্যায়ালয়ৰ মজিয়াত শুনানি হ'ব। আনহাতে ফাষ্ট ট্ৰেক আদালতৰ গোচৰৰ ধাৰা আৰোপৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই অভিযুক্ত সন্দিপন গাৰ্গে উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন আবেদনৰো কাইলৈ শুনানি গ্ৰহণ কৰা হ'ব।

○○○○○

ৰাজ্যৰ মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে আজি তেজপুৰৰ বাৰীকা চুবুৰীত থকা জিলা কুকুৰা পামত এটা অত্যাধুনিক স্বয়ংক্ৰিয় কণী পৰা কুকুৰা পামৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ ৩ কোটি ৪৮ লাখ ৯১ হাজাৰ টকা ব্যয়েৰে এই প্ৰকল্পটো নিৰ্মাণ

কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে এই পামখনৰ জৰিয়তে ৰাজ্যৰ আৰ্থিক বিকাশত বিশেষ অৰিহণা আগবঢ়াব বুলি উল্লেখ কৰে। ইয়াৰ লগতে এই পামখনৰ জৰিয়তে বিভিন্ন আত্মসহায়ক গোট তথা নিবনুৱা যুৱক-যুৱতীয়ে কুকুৰা পালনৰ প্ৰশিক্ষণ ল'ব পাৰিব। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে এই পামখনৰ জৰিয়তে একেলগে ৫ হাজাৰ কণী পৰা কুকুৰা পালন কৰিব পৰা যাব। আজিৰ অনুষ্ঠানত ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালক জয়ন্ত গোস্বামী, বিধায়কদ্বয় পৃথ্বীৰাজ ৰাভা আৰু ঋতুবৰণ শৰ্মা, জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ লগতে বিভাগটোৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছতে সমীপৰ হজৰা মীন পামো পৰিদৰ্শন কৰে।

০০০০০

**সমাপ্ত**